# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-09-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।	ভাৰত আৰু শ্ৰীলংকাই সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখি আহিছে আৰু দেশখনৰ সংকটৰ সময়ত ভাৰত সদায় কাষত থাকিব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

২।	উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কালি মণিপুৰৰ ইম্ফলত সেনাবাহিনীৰ ছহিদ স্মাৰকত শ্ৰদ্ধা তৰ্পণ কৰে।

৩।	মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত আজি নৱম ৰাষ্ট্ৰীয় পোষণ অৰ্থাৎ পৰিপুষ্টি মাহ ২০২৬ মুকলি কৰিব।

৪।	আমেৰিকা আৰু ইৰানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত থকাৰ সময়তে পশ্চিম এছিয়াত উত্তেজনা বৃদ্ধি পাইছে।	***আৰু***

৫।	এছিয়ান গেমছলৈ ৰাওনা হোৱাৰ পূৰ্বে ভাৰতীয় দলটোক কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ডʼ মনসুখ মন্দাভিয়াই আড়ম্বৰপূৰ্ণভাৱে বিদায় সম্ভাষণ জনায়।

ooooo

ভাৰত আৰু শ্ৰীলংকাই ইতিহাস, সংস্কৃতি আৰু বিশ্বাসৰ আধাৰত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখি আহিছে আৰু দেশখনৰ সংকটৰ সময়ত ভাৰত সদায় কাষত থিয় হʼব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে। তিনিদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকাত কালি উপস্থিত হোৱা শ্ৰীসিঙে দেশখনৰ শীৰ্ষ নেতাৰ সৈতে আলোচনাত মিলিত হোৱাৰ পূৰ্বে ভাৰতীয় মূলৰ লোকসকলৰ সৈতে মত বিনিময়কালত এই বিষয়ে প্ৰকাশ কৰে। দ্বীপৰাষ্ট্ৰখনে সন্মুখীন হোৱা যিকোনো প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিৰ সময়ত ভাৰত দৃঢ়তাৰে কাষত থাকিব বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰ দুখনে সভ্যতা আৰু সংস্কৃতি দিশৰ পৰা নিকট বান্ধোনেৰে বান্ধ খাই আছে আৰু ইয়ে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ মূল ভেটি হিচাপে পৰিগণিত হৈছে। ভাৰতীয় মূলক লোকসকলক ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ সেতু বুলি অভিহিত কৰি শ্ৰীসিঙে কয়, যে ৰাষ্ট্ৰ দুখনৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। নিজৰ ভাষণত শ্ৰীসিঙে ভাৰতৰ দ্ৰুত অৰ্থনৈতিক ৰূপান্তৰৰ বিষয়ে উল্লেখ কৰি কয়, যে দেশখন বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিৰ অন্যতম আৰু গোলকীয় উন্নয়নত ভাৰতে ১৬ শতাংশৰো অধিক বৰঙণি যোগাই আছে। গোলকীয় অৰ্থনৈতিক প্ৰত্যাহ্বান সত্বেও ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত দেশৰ অৰ্থনীতিৰ ৭ দশমিক ৮ শতাংশ বিকাশ হৈছে বুলি উল্লেখ কৰি শ্ৰীসিঙে কয়, যে ভাৰতৰ সামগ্ৰী আৰু সেৱা ৰপ্তানি ২০১৪ বৰ্ষত ৪৫ লাখ কোটি টকাৰ পৰা ২০২৫-২৬ বৰ্ষত ৭৯ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। একেদৰে বিশ্বৰ সৰ্বাধিক মোবাইল ফোন নিৰ্মাণকাৰী ৰাষ্ট্ৰৰ ভিতৰত ভাৰত দ্বিতীয় স্থানত আছে আৰু দেশখনত মোবাইল নিৰ্মাণকাৰী গোটৰ সংখ্যা ২০১৪ চনত ২ৰ পৰা সম্প্ৰতি ৩০০ লৈ বৃদ্ধি পাইছে। বিগত ১২ বছৰত ভাৰতে ৩৮ খন ৰাষ্ট্ৰৰ সৈতে বাণিজ্যিক চুক্তি স্বাক্ষৰ কৰিছে। আনহাতে ৮ খন

আগশাৰীৰ ৰাষ্ট্ৰৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰিছে বুলি তেওঁ কয়। ভাৰত-ইউৰোপীয় সংঘ সকলো চুক্তিৰ মূল বুলি উল্লেখ কৰি তেওঁ কয়, যে এই চুক্তিয়ে ইউৰোপীয় বজাৰ মুকলি কৰাৰ লগতে ভাৰতৰ বৰ্ধিত কূটনৈতিক আৰু অৰ্থনৈতিক সামৰ্থৰ কথাকো প্ৰতিফলিত কৰে। ভাৰতৰ গোলকীয় বিশ্বাসযোগ্যতা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে ১২ বছৰ পূৰ্বৰ তুলনাত বিশ্বই সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ মতামতক গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ সৈতে দেশখনলৈ যোৱা প্ৰতিৰক্ষা আৰু বৈদেশিক মন্ত্ৰালয়ৰ প্ৰতিনিধি দলটোক শ্ৰীলংকাই উপ-প্ৰতিৰক্ষা মন্ত্ৰী অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল অৰুণা জয়াশেখৰাই বন্দৰনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আদৰণি জনায়।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ এদিনীয়া ভ্ৰমণসূচীৰে কালি মণিপুৰৰ ইম্ফলত উপস্থিত হয়। তেওঁ ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ মৈৰাঙৰ ভাৰতীয় সেনাবাহিনীৰ ছহিদ স্মাৰকত বীৰ জোৱানসকলৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য তৰ্পণ কৰে। ইয়াৰ আগেয়ে ইম্ফল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতে মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিং আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে উপ-ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। ইয়াৰ পাছতে শ্ৰীৰাধাকৃষ্ণণে ১৯৪৪ চনৰ এপ্ৰিলত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ভাৰত ভূমিত নেতাজী সুভাষ চন্দ্ৰ বসুৰে প্ৰথমবাৰৰ বাবে ত্ৰিৰংগ পতাকা উত্তোলন কৰা ভাৰতীয় সেনাবাহিনীৰ ছহিদ স্মাৰক দৰ্শন কৰে। ইয়াৰ পাছতে তেওঁ সেনাবাহিনীৰ যুদ্ধ স্মাৰক স্তম্ভ দৰ্শন কৰি নেতাজীৰ স্মৃতিত পুষ্পাৰ্ঘ্য তৰ্পণ কৰে। তেওঁ সেনাবাহিনীৰ সংগ্ৰহালয়ো প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে তেওঁ ইম্ফলৰ সৈনিক স্কুললৈ গৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। সন্ধিয়া উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশলৈ ৰাওনা হয়। আজি তেওঁ অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেনত উপস্থিত থকাৰ লগতে বিথীকা আৰু সংগ্ৰহালয় দৰ্শন কৰিব। তেওঁ লগতে ইটানগৰত থকা জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰাহালয় আৰু শ্ৰৱণ তথা দৃষ্টিশক্তিৰহিত ডঞী প'ল' মিছন স্কুল পৰিদৰ্শন কৰিব।

ooooo

উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই কালি নাগালেণ্ড পৰ্যটন পৰিক্ৰমাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে পৰ্যটকসকলক আকৰ্ষিত কৰিব পৰাকৈ এই পৰিক্ৰমা গঢ়ি তুলিবলৈ পৰামৰ্শ দিয়ে। তেওঁ পৰ্যটকসকলৰ বাবে নাগালেণ্ড ভ্ৰমণৰ অভিজ্ঞতা মান সম্পন্ন, চিৰস্থায়ী আৰু স্মৰণীয় কৰি তোলাৰ বাবে পৰ্যটন পৰিক্ৰমাত প্ৰাকৃতিক সৌন্দৰ্যক মূল বিষয় হিচাপে ল'বলৈ পৰামৰ্শ দিয়ে। তেওঁ লগতে ৰাজ্যখনৰ চহকী কলা-ভাস্কৰ্য সংস্কৃতি, উদ্যান শস্য আৰু পৰম্পৰাক প্ৰতিফলিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**বাইট (সিন্দিয়া)**

ooooo

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত আজি নৱম ৰাষ্ট্ৰীয় পোষণ অৰ্থাৎ পৰিপুষ্টি মাহ ২০২৬ মুকলি কৰিব। এইবাৰৰ এই মাহৰ বিষয় হৈছে **আমাৰ অংগনৱাড়ী আমাৰ দায়িত্ব।** এই কাৰ্যসূচীৰ অংশ হিচাপে খাদ্য তালিকাত পৰ্যাপ্ত প্ৰটিন, অংগনৱাড়ী কেন্দ্ৰসমূহত সতেজ আৰু গৰম খাদ্য যোগানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ ১০ বছৰ সম্পূৰ্ণ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৰিপুষ্টি শিক্ষা প্ৰসাৰৰ প্ৰয়াস কৰা হ'ব। আজি উদ্বোধনী অনুষ্ঠানৰ অংশ হিচাপে পৰিপুষ্টি

মেলা আৰু হিতাধিকাৰীসকলৰ অভিজ্ঞতাৰ ওপৰত আধাৰিত আৰু ভিডিঅ' প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীৰ সৈতে অংগনৱাড়ী কৰ্মীসকলৰ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হ'ব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সাবিত্ৰী ঠাকুৰ আৰু উত্তৰ প্ৰদেশৰ শিশু আৰু মহিলা কল্যাণ তথা পুষ্টি বিভাগৰ মন্ত্ৰী বেবীৰাণী মৌৰ্যা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

উল্লেখযোগ্য যে পৰিপুষ্ট ভাৰতক আধাৰ হিচাপে লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্য আগত ৰাখি ২০১৮ চনত ৰাষ্ট্ৰীয় বিকাশ কাৰ্যসূচীৰ অধীনত পোষণ অভিযান আৰম্ভ কৰা হৈছিল। মহিলা, শিশু আৰু কিশোৰ-কিশোৰীৰ মাজত পৰিপুষ্টি, স্বাস্থ্য আৰু স্বাস্থ্য যতনৰ অভ্যাস গঢ়ি তোলাৰ বাবে প্ৰতিবছৰে ছেপ্তেম্বৰত পালন কৰা পোষণ মাহৰ কাৰ্যসূচী গণ আন্দোলন হিচাপে পৰিগণিত হৈছে।

00000

আমেৰিকা আৰু ইৰাণৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত থকাৰ সময়তে সমগ্ৰ পশ্চিম এছিয়াত উত্তেজনা তীব্ৰভাৱে বৃদ্ধি পাইছে। বিগত দুদিন ধৰি ইৰাণৰ ইছলামিক ৰিভল্যুচনেৰী গাৰ্ডছে আমেৰিকাৰ যুদ্ধ জাহাজত আক্ৰমণ কৰা বুলি ৱাশ্বিংটনে দাবী কৰাৰ পিছতে আমেৰিকাই কয় যে তেওঁলোকৰ সেনাই ইৰাণৰ পাঁচখন খাৰুৱা তেল পৰিৱাহী টেংকাৰ ধ্বংস কৰিছে। ইয়াৰ প্ৰতিশোধ হিচাপে ইৰানে জৰ্ডানত থকা আমেৰিকাৰ ঘাটিক লক্ষ্য কৰি ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰে। আমেৰিকাৰ চেণ্ট্ৰেল কমাণ্ডে সামাজিক মাধ্যমৰ পোষ্টত প্ৰকাশ কৰিছে যে বিগত দুদিনত ইৰাণে আমেৰিকাৰ যুদ্ধজাহাজক বেলিষ্টিক মিছাইলেৰে লক্ষ্য কৰি লোৱাৰ প্ৰতিক্ৰিয়া স্বৰূপে এই আক্ৰমণ সংঘটিত কৰা হৈছে। এই অভিযানত ইৰাণৰ ওমান উপসাগৰৰ কিভিক, চাৰ্মিনাৰ, হৰাইজন ১ আৰু ৰিস্কো নামৰ জাহাঁজ কেইখন ধ্বংস হোৱা বুলি দাবী কৰা হৈছে। ইফালে, চুবুৰীয়া বন্দৰসমূহত সামুদ্ৰিক জাহাজৰ কৰ্মীসকলক সম্বোধন কৰি ইছলামিক ৰিভল্যুচনেৰী গাৰ্ড কৰ্পছে বাহৰেইন আৰু কুৱেইট বন্দৰৰ ওচৰত প্ৰতিশোধ লোৱাৰ সকীয়নী দিছে।

00000

কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী সংগ্ৰহালয় আৰু পুথিভঁৰালৰ অধীনস্থ নেহৰু তাৰকাগৃহ উদ্বোধন কৰা হয়। বিজ্ঞানৰ যোগাযোগ শক্তিশালী কৰা, জ্যোতিৰ্বিজ্ঞানৰ সজাগতা বৃদ্ধি কৰা আৰু জনসাধাৰণৰ সংযোগ বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে তাৰকাগৃহটি নিৰ্মাণ কৰা হৈছে। পি এমএম এলৰ অধ্যক্ষ নৃপেন্দ্ৰ মিশ্ৰই উদ্বোধনী অনুষ্ঠানৰ সভাপতিত্ব কৰে । এই উপলক্ষে ভাষণ দি সঞ্চালক অশ্বনী লোহানীয়ে কয় যে নেহৰু তাৰকাগৃহ দেশৰ অন্যতম আগশাৰীৰ তাৰকাগৃহ হিচাপে আত্মপ্ৰকাশ কৰিছে। নেহেৰু তাৰকাগৃহ বৈজ্ঞানিক মেজাজ বৃদ্ধিৰ বাবে আৰু ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু জনসাধাৰণৰ মাজত কৌতুহল জগাই তোলাৰ বাবে অত্যাধুনিক সুবিধাৰে সজ্জিত । নতুনকৈ যোগ কৰা সুবিধাসমূহৰ ভিতৰত আছে এটা পুথিভঁৰাল, উন্নীতকৃত প্ৰদৰ্শনী আৰু প্ৰজেকচন ব্যৱস্থা। এই সুবিধাসমূহে অধিক সুলভ আৰু সমৃদ্ধিশালী শৈক্ষিক অভিজ্ঞতা প্ৰদান কৰে।

00000

এছিয়ান গেমছ ২০২৬ৰ বাবে ৰাওনা হোৱাৰ পূৰ্বে ভাৰতীয় দলটোক কালি কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আড়ম্বৰপূৰ্ণভাৱে বিদায় সম্ভাষণ জনায়। এই উপলক্ষে আয়োজিত

কাৰ্যসূচীত ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা, ক্ৰীড়া সচিব হৰি ৰঞ্জন ৰাও, চীফ দা মিছন সহদেৱ যাদৱৰ উপস্থিতিত ড০ মন্দাভিয়াই ভাৰতীয় খেলুৱৈসকলৰ বাবে জাৰ্চি মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে ভাৰতীয় খেলুৱৈসকলক মানসিক চাপক সুন্দৰ প্ৰদৰ্শনলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে প্ৰতিপক্ষক সুযোগ হিচাপে গ্ৰহণৰ লগতে সুযোগৰ সৎব্যৱহাৰ কৰি সফলতা অৰ্জন কৰিবলৈও পৰামৰ্শ দিয়ে। তেওঁ কয়, যে ৫০৩ জনীয়া ভাৰতীয় খেলুৱৈ দলৰ তিনি শতাধিক খেলুৱৈয়ে প্ৰথমবাৰৰ বাবে এছিয়ান গেমছত অংশ ল'ব। গ্লাছগ'ত অনুষ্ঠিত কমনৱেল্থ গেমছত ভাৰতৰ সফলতাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে ভাৰতীয় খেলুৱৈসকলে ১৩টা সোণৰ পদকেৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰসংগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে দেশত ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে তেওঁ উল্লেখ কৰে।

০০০০০

সমাপ্ত